প্ৰয়োগ আধুনিক সাহিত্যত পোৱা যায়। যেনে—

(i) তেজগোৰা বেলি জিলিঙনি মেলি
সাবটিব আহি ধৰা।
পুৱাৰ মলয়া উঠি ছয়া-ময়া
বোলে উঠা তেজীমলা। ( চন্দ্ৰকুমাৰ আগৰৱালা )

(ii) ৰূপহী নইত মলোৱে পলৰে
কাৱৈ চেনিপুঠি মাৰে।
নাৱৰ টিঙত জুনুৱে আছাৰে
মুগা ৰিহা আঁৰে আঁৰে॥ ( দৈৱচন্দ্ৰ তালুকদাৰ )

অবিকলভাৱে ছবি-ছন্দত ৰচনা কৰা আধুনিক কবিতাৰ সংখ্যাও বহুত আছে। যেনে—

ৰূপোৱালী বালিচৰ সুবিশাল মনোহৰ
লুইতৰ বিশাল বুকুত।
জিলমিল্ ৰূপৰেখা দিলে কোন চিত্ৰলেখা
ৰ'দালিৰ বিহা-আঁচলত॥ ( অতুলচন্দ্ৰ হাজৰিকা )

ছবি-ছন্দক অলপ বিকৃত কৰি, অৰ্থাৎ প্ৰথম আৰু চতুৰ্থ পৰ্ব্বত আঠ অক্ষৰ, আৰু দ্বিতীয় আৰু পঞ্চম পৰ্ব্বত ছয় অক্ষৰ ৰাখি, এই ছন্দতো কবিসকলে কবিতাৰ সৃষ্টি কৰিছে। যেনে—

তৰুণি অৰুণি কই বিশ্বৰূপ লই
থাপিলেহি একোটি দেহাত।
সুমেৰুৰ শিখৰত ভুৱনমোহিনী
অনুপমা বিশ্বজগতত॥ ( শৈলধৰ ৰাজখোৱা )

ছবি-ছন্দৰ চতুৰ্থ শাৰীৰ শেষাক্ষৰৰ লগত মিল কৰি আন এটা শাৰী ( পঞ্চম শাৰী ) যোগ দি, এই ছন্দৰ নিম্নোক্ত নতুন ৰূপত দুই এটা কবিতা ৰচিত হৈছে। যেনে—

গড়গাওঁ গড়গাওঁ কথা শুনি তল যাওঁ
বাট দেখি পিচলে যে পাৱ।
দিখৌৰ সোঁতত যোৱা ভটীয়নী বল পোৱা
উভতিব খোজে মাৰ নাও।
ওচৰতে দেখি গড়গাওঁ॥ ( বিনন্দচন্দ্ৰ বৰুৱা )

লেচাৰি-ছন্দই অবিকল ৰূপেৰে আধুনিক কবিতাক ৰূপ দিয়া দেখা নাযায়। অলপ পৰিৱৰ্ত্তিত ৰূপত, অৰ্থাৎ প্ৰথম, দ্বিতীয় চতুৰ্থ আৰু পঞ্চম চৰণে দহটা অক্ষৰৰ পৰিৱৰ্ত্তে আঠটাকৈ অক্ষৰ লৈ কোনো কোনো কবিৰ লেখনীৰ যোগেদি ই ৰূপায়িত হৈছে। যেনে—

প্ৰেমিক সন্ন্যাসী তই আজিও পাহৰা নাই
তোৰ সেই তাহানিৰ সোণৰ সপোন।
আজিও বীণত তোৰ নিতউ নতুন সুৰ
আজিও বিচাৰি যায় কোনোৱা আপোন॥
( শৈলধৰ ৰাজখোৱা )

ঝুনা ছন্দৰো অবিকল-প্ৰয়োগ আধুনিক কবিতাৰ মাজত পোৱা নাযায়। অলপ পৰিৱৰ্ত্তিত কৰি কোনো কোনো কবিয়ে ইয়াৰ মাজেদি কবিতা ৰচনা কৰিছে। এই পৰিৱৰ্ত্তিত ৰূপত প্ৰথম আৰু তৃতীয় চৰণত এঘাৰটাৰ পৰিৱৰ্ত্তে বাৰটা অক্ষৰ পোৱা যায় আৰু প্ৰতি দুই চৰণৰ শেষাক্ষৰৰ মিল হোৱাৰ পৰিৱৰ্ত্তে দ্বিতীয় আৰু চতুৰ্থ শাৰীৰ শেষাক্ষৰহে মিল দেখা যায়। যেনে—

(i) সোণালী ৰথত আলোকি বিমান
মাৰিলে সুৰুযে সোণৰ কাড়।
পলাল আন্ধাৰ হৰিণীয়ে যেনে
হয় নিমিষতে চকুৰ আঁৰ॥ ( যতীন্দ্ৰ দুৱৰা )

(ii) উঠাহে উৰ্ব্বশী, উঠাহে প্ৰেয়সী,
উঠা যৌৱনৰ সাদৰী সখী॥
কামত আতুৰ প্ৰেমিক সন্ন্যাসী,
এদিন সন্ধিয়া দিলেহি দেখা॥ ( ডিম্বেশ্বৰ নেওগ )

ঝুনা ছন্দৰ প্ৰতি চৰণৰ এঘাৰ অক্ষৰৰ পৰিৱৰ্ত্তে তাত দহ অক্ষৰ দি আৰু প্ৰতি দুই চৰণৰ শেষাক্ষৰৰ মিলৰ পৰিৱৰ্ত্তে, দ্বিতীয় আৰু চতুৰ্থ চৰণৰ শেষাক্ষৰৰ মিল দেখুৱাই আধুনিক কবিয়ে আন এবিধ ছন্দৰ সৃষ্টি কৰিছে। যতীন্দ্ৰনাথ দুৱৰাই এই ছন্দত কেই-